অসম বিধান সভা

তৰা চিহ্নীত প্ৰশ্ন নং : **১১**

উত্তৰ দিবলগীয়া তাৰিখ : ০৬/০৭/২০২৬

বিষয় : **ৰাস্তা আৰু দলং সম্পৰ্কে**

বিধায়ক : মোঃ আশ্ৰাফুল ইছলাম শ্বেখ :

মাননীয় লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী মহাদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) এতিয়ালৈকে সাপতগ্ৰামৰ পৰা ভেলাকবা ৰাস্তা/ দলংখন কিয় সম্পূৰ্ণ হোৱা নাই ? তথ্য সহকাৰে সদনত জনাব।

খ) এতিয়ালৈকে কিয় চুপাৰিঘাটৰ পৰা কাজি গাঁৱৰ ৰাস্তাটো সম্পূৰ্ণ হোৱা নাই ? তথ্য সহকাৰে সদনত জনাব। উক্ত কামবোৰ সম্পূৰ্ণ হওঁতে আৰু কিমান সময় লাগিব আৰু যদি নহয় কিয় নহয় তথ্য সহকাৰে সদনত জনাব।

::উত্তৰ::

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব :**

ক) সাপটগ্ৰামৰ পৰা ভেলাকবালৈ যোৱা ৰাস্তাটোৰ মুঠ দৈৰ্ঘ্য ৮০০ মিঃ। ইতিমধ্যে সাপটগ্ৰামৰ পৰা সাপটগ্ৰাম ঘাটলৈ ৰাস্তাটোৰ সৰ্বমুঠ ৫০০ মি: দৈৰ্ঘ্য 'মুখ্যমন্ত্ৰীৰ নগৰীয়া পকীপথ নিৰ্মাণ আঁচনি'ৰ অধীনত ইংৰাজী ২০২৩-২৪ বিত্তীয় বৰ্ষত পকীকৰণ হৈ গৈছে। ইয়াৰ উপৰিও সাপটগ্ৰাম ঘাটৰপৰা ভেলাকবালৈ যোৱা পথত টিপকাই নদীৰ ওপৰত প্ৰায় ২৮০ মি: দৈৰ্ঘ্যৰ দলং খন বৰ্তমানলৈ কোনো আঁচনিত অন্তৰ্ভুক্ত হোৱা নাই যদিও বিভাগৰ ফালৰপৰা উপযুক্ত আঁচনিত অন্তৰ্ভূক্ত কৰাৰ বাবে চেষ্টা কৰি থকা হৈছে আৰু অনুমোদন সাপেক্ষে কামটো কৰিব পৰা যাব।

খ) চুপাৰিঘাটৰ পৰা কাজী গাঁওলৈ যোৱা ৰাস্তাটো ৰাস্তাটোৰ মুঠ দৈৰ্ঘ্য ১০.৩০ কিলোমিটাৰ আৰু ৰাস্তাটো ইংৰাজী ২০২২-২৩ বৰ্ষত 'মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনি' (MMUPPNA-RIDF-XXVII)-ৰ অধীনত মুঠ ১১,৩৪,৭২,৬১৯ টকাত ইংৰাজী ২৪/০৪/২০২৩ তাৰিখে ঠিকাদাৰক আবণ্টন দিয়া হৈছিল। ইতিমধ্যে এই ৰাস্তাটোৰ কাম ৭১% সম্পূৰ্ণ কৰা হৈছে। উক্ত কামটো ডিচেম্বৰ ২০২৬ৰ ভিতৰত সম্পূৰ্ণ কৰিবৰ বাবে ঠিকাদাৰক নিৰ্দেশ দিয়া হৈছে।

(The Reply uploaded in the Portal)

---ooo---